**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
---------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মেক ইন ইণ্ডিয়া অভিযানে গোলকীয় মঞ্চত দেশৰ অৰ্থব্যৱস্থাক কেনেদৰে আগুৱাই লৈ গৈছে সেই বিষয়ে বিভিন্ন তথ্য সহকাৰে প্ৰকাশ কৰিছে।

২। ওমানৰ উপকূলৱৰ্তী অঞ্চলত এখন তেল পৰিবাহী জাহাজ বুৰ যোৱাৰ ফলত ১৩ গৰাকী ভাৰতীয়কে ধৰি মুঠ ১৬ গৰাকী নাৱিকৰ কেউগৰাকীয়েই সন্ধানহীন হৈ আছে।

৩। দেশৰ বিভিন্ন অঞ্চলত আজি ধৰ্মীয় ৰীতি-নীতিৰে আশুৰা-ই-মহৰম পালন কৰা হৈছে।

৪। মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ৰেড ড্ৰাইভ অভিযানৰ অধীনত ১৩ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ সোণ আৰু বৈদেশিক মুদ্ৰাকে ধৰি বৃহৎ পৰিমাণৰ সামগ্ৰী জব্দ কৰা হৈছে।

৫। পেৰুত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ২৬ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ১২ জনতকৈও অধিক লোক আহত হৈছে।

**আৰু**

৬। শ্ৰীলংকাৰ ডাম্বুলাত পৰহিলৈ আৰম্ভ হ'বলগীয়া এছিয়া কাপ টি-২০ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতীয় মহিলা ক্ৰিকেট দলটো কলম্বোত উপস্থিত হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে মেক ইন ইণ্ডিয়া অভিযানে গোলকীয় মঞ্চত দেশৰ অৰ্থব্যৱস্থাক কেনেদৰে আগুৱাই লৈ গৈছে সেই বিষয়ে প্ৰকাশ কৰিছে। মেক ইন ইণ্ডিয়া অভিযানৰ আভাস দি বাৰ্তাটোত এইবুলি কোৱা হৈছে যে সমগ্ৰ বিশ্বত ভাৰতীয় চাইকেলৰ চাহিদা বৃদ্ধি পাইছে। ব্ৰিটেইন, জাৰ্মানী আৰু নেডাৰলেণ্ডছলৈ ভাৰতৰ চাইকেলৰ ৰপ্তানি বৃদ্ধি পাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে, চাহিদা বৃদ্ধিৰ এই ঘটনাই আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতৰ বৰ্দ্ধিত প্ৰভাৱকেই প্ৰতিফলিত কৰিছে।

বাৰ্তাটোত প্ৰকাশ কৰা মতে বিহাৰত প্ৰস্তুত কৰা জোতা ৰাছিয়াৰ সেনাবাহিনীয়ে ব্যৱহাৰ কৰিবলৈ লৈছে আৰু ইয়াৰ পৰা ভাৰতত নিৰ্মাণ কৰা সামগ্ৰীসমূহে অপ্ৰত্যাশিতভাৱে বিশ্বৰ বজাৰ দখল কৰাটো স্পষ্ট হৈ পৰিছে। এই সাফল্যৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় প্ৰতিৰক্ষা বজাৰত ভাৰতৰ বৰ্ধিত প্ৰভাৱ আৰু দেশৰ নিৰ্মাণ সামৰ্থ্যৰ উচ্চ মান প্ৰতিফলিত হৈছে বুলিও পোষ্টটোত উল্লেখ কৰা হৈছে। কেৱল ইমানেই নহয়, বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা চমু চাপি অহাৰ লগে লগে কাশ্মীৰত নিৰ্মাণ কৰা ক্ৰিকেট বেটৰ চাহিদাও বৃদ্ধি পাইছে বুলি উল্লখে কৰি তেওঁ কয় যে, এই বেটসমূহ ভাৰতৰ উৎকৃষ্ট শিল্প নৈপুণ্য আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ প্ৰভাৱৰ উদাহৰণ।

আনহাতে গাখীৰ আৰু দুগ্ধজাত সামগ্ৰীৰ উৎপাদক প্ৰতিষ্ঠান আমুলে আমেৰিকা যুক্তৰাষ্ট্ৰত নিজৰ উৎপাদিত সামগ্ৰী যোগান ধৰি  ভাৰতৰ অনন্য সোৱাদ বিশ্বলৈ বিয়পাইছে বুলি বাৰ্তাটোত উল্লেখ কৰা হৈছে। একেদৰে ভাৰতৰ ইউ পি আই ব্যৱস্থা এতিয়া গোলকীয় ব্যৱস্থাৰূপে পৰিগণিত হৈছে বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে, এই ব্যৱস্থাই কেইবাখনো দেশত ডিজিটেল পদ্ধতিৰে ধনৰ লেনদেন সহজ কৰি তুলিছে। ভাৰত আৰু ৰাছিয়াই যুটীয়াভাৱে বিকশাই তোলা ব্ৰহ্মোছ ক্ষেপণাস্ত্ৰ এতিয়া দক্ষিণ চীন সাগৰত নিয়োজিত কৰাটোৱে ভাৰতৰ কৌশলগত প্ৰতিৰক্ষা সামৰ্থ্য আৰু গোলকীয় সুৰক্ষাৰ ক্ষেত্ৰত দেশৰ গুৰুত্বপূৰ্ণ ভূমিকাক প্ৰমাণিত কৰিছে বুলি সামাজিক মাধ্যমৰ বাৰ্তাটোত কোৱা হৈছে। একেদৰে এমাজনৰ ব্লেক ফ্ৰাইডে আৰু চাইবাৰ মানডে বিক্ৰীত ভাৰতীয় সামগ্ৰীসমূহে আধিপত্য বিস্তাৰ কৰি আহিছে বুলি প্ৰকাশ কৰি তেওঁ কয় যে, এই সাফল্যগাঁথাই আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতত নিৰ্মিত সামগ্ৰীসমূহৰ চাহিদা আৰু গোলকীয় ই-কমাৰ্চ বজাৰত ভাৰতৰ বৰ্ধিত প্ৰভাৱক প্ৰতিফলিত কৰিছে।

০০০০০০০

ওমানৰ উপকূলৱৰ্তী অঞ্চলত এখন তেল পৰিবাহী জাহাজ বুৰ যোৱাৰ ফলত ১৩ গৰাকী ভাৰতীয় আৰু ৩ গৰাকী শ্ৰীলংকাৰ নাগৰিককে ধৰি জাহাজখনত থকা মুঠ ১৬ গৰাকী নাৱিকৰ কেউগৰাকীয়েই সন্ধানহীন হৈ আছে। যোৱা ১৫ জুলাইত সংঘটিত এই দুৰ্ঘটনাটোৰ বিষয়ে দেশখনৰ কৰ্তৃপক্ষই কালি বাতৰি প্ৰকাশ কৰিছে। ওমানৰ সমুদ্ৰপথৰ সুৰক্ষা কেন্দ্ৰই প্ৰকাশ কৰা মতে **প্ৰেষ্টিজ ফেল্কন** নামৰ এই জাহাজখন ওমানৰ ঔদ্যোগিক বন্দৰ ডুক্‌মৰ কাষৰীয়া এলেকাত বুৰ যায়। এই বাতৰি যুগুতোৱাৰ পৰলৈ জাহাজখন অক্ষত অৱস্থাত আছে নে ইয়াৰ পৰা তেলৰ নিৰ্গমন হৈছে সেই বিষয়ে দেশখনৰ কৰ্তৃপক্ষই কোনো কথা প্ৰকাশ কৰা নাই।

উল্লেখযোগ্য যে ২০০৭ চনত নিৰ্মিত ১১৭ মিটাৰ দৈৰ্ঘ্যৰ এই তৈল্য সামগ্ৰী পৰিবাহী জাহাজখন য়েমেনৰ এডেন বন্দৰ অভিমুখে গৈ আছিল। তেল পৰিবাহী এনে সৰু জোখৰ জাহাজ সাধাৰণতে কম দূৰত্বৰ উপকূলীয় অঞ্চলৰ মাজতহে পৰিবহণ কৰোৱা হয়। ওমানৰ প্ৰশাসনে সামুদ্ৰিক কৰ্তৃপক্ষৰ সহযোগিতাৰে উদ্ধাৰ অভিযান চলাই আছে যদিও বৰ্তমানলৈ জাহাজখনৰ কোনো লোকক উদ্ধাৰ কৰাৰ বিষয়ে জানিব পৰা হোৱা নাই।

০০০০০০০

আশাড়ী-একাদশী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাৰ জৰিয়তে শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে যে, ভগৱান ভিথ্‌থালে সদায় আনন্দ আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ সমাজ এখন গঠনৰ বাবে সকলোকে উদ্বুদ্ধ কৰে।

০০০০০০০

দেশৰ বিভিন্ন অঞ্চলত আজি আশুৰা-ই-মহৰম ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন কৰা হৈছে। কাৰবালাত সত্য আৰু ন্যায়ৰ হকে প্ৰাণ আহুতি দিয়া পয়গম্বৰ মহম্মদৰ নাতিয়েক হজৰত ইমাম হুছেইন আৰু তেওঁৰ সহযোগীসকলৰ স্মৃতিত এই পৰ্ব পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ দেশতে তাজিয়া সমদল উলিওৱা হয়। কাৰবালাৰ শ্বহীদসকলৰ সৰ্বোচ্চ ত্যাগৰ প্ৰতি আলোকপাত কৰি ধৰ্মীয় সভা আৰু মজলিছৰো আয়োজন কৰা হয়।

দেশৰ আন বিভিন্ন অংশৰ লগতে দিল্লীতো জামা মছজিদ, নিজামুদ্দিন, অখলা আৰু মেহৰৌলিকে ধৰি বিভিন্ন স্থানত মহৰম পালন কৰা হৈছে।

০০০০০০০

কাশ্মীৰ উপত্যকাৰ অমৰনাথ গুহা দৰ্শনৰ বাবে জম্মুত থকা ভাগৱতী নগৰৰ যাত্ৰী নিবাসৰ শিবিৰৰ পৰা ৩ হাজাৰ ৭২৪ গৰাকী তীৰ্থযাত্ৰী ৰাওনা হৈছে। আজি পুৱা তীৰ্থযাত্ৰীসকলে মুঠ ১২৭ খন বাহনেৰে যাত্ৰা কৰে। দলটোত ২ হাজাৰ ৭৩৪ গৰাকী পুৰুষ, ৯৫২ গৰাকী মহিলা আৰু ৯টা শিশুকে ধৰি ৩৯ গৰাকী সাধু তথা ৯ গৰাকী সন্যাসিনীও আছে।

০০০০০০০

মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ১৩ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ সোণ, ১০ কোটি ৩৩ লাখ টকা মূল্যৰ বৈদ্যুতিন সামগ্ৰী আৰু ৪৫ লাখ টকা পৰিমাণৰ বৈদেশিক মুদ্ৰা জব্দ কৰা হৈছে। বিমান বন্দৰটোৰ তৃতীয় সীমা শুল্ক ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই যোৱা ১০ জুলাইৰ ১৪ জুলাইলৈ চলোৱা অভিযানত এই সামগ্ৰীখিনি জব্দ কৰা হয়। **ৰেড ড্ৰাইভ** হিচাপে অভিহিত কৰা এই অভিযানৰ সময়ত ৭ জনক লোকক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০০

পেৰুত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ২৬ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ১২ জনতকৈও অধিক লোক আহত হৈছে। এখন যাত্ৰীবাহী বাছ দক্ষিণ পেৰুৰ আয়াকুচ' অঞ্চলৰ লছ লিবাৰ্টাড'ৰ্ছ ঘাইপথৰ পৰা ঠিয় গৰাৰে প্ৰায় ২০০ মিটাৰ তললৈ সৰি পৰা এই দুৰ্ঘটনাটোত আহত বাছযাত্ৰীসকলক ততাতৈয়াকৈ চিকিৎসায়লৈ নিয়া হয়। প্ৰায় ৪০ গৰাকী যাত্ৰীক কঢ়িওৱা এই বাছখন লিমাৰ পৰা আয়াকুচ' অভিমুখে ৰাওনা হৈছিল।

উল্লেখযোগ্য যে যান বাহনৰ অত্যধিক গতিবেগ, পথৰ দুৰৱস্থা আদি বিভিন্ন প্ৰতিকুলতাৰ পৰিপ্ৰেক্ষিতাত পেৰুত সততে পথ দুৰ্ঘটনা সংঘটিত হয় বুলি সংবাদ মাধ্যমৰ বাতৰিত প্ৰকাশ পাইছে। এই সন্দৰ্ভত প্ৰকাশ পোৱা মতে ৩ কোটি ৪০ লাখ গৰাকী নাগৰিকে বাস কৰা দেশখনত কেৱল যোৱা বছৰটোতেই সংঘটিত ৮৭ হাজাৰতকৈও অধিকসংখ্যক পথ দুৰ্ঘটনাত ৩ হাজাৰ ১০০ গৰাকীতকৈও অধিক লোকে প্ৰাণ হেৰুৱাইছে।

০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দল এছিয়া কাপ টি-২০ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে শ্ৰীলংকাৰ কলম্বোত উপস্থিত হৈছে। এই প্ৰতিযোগিতা পৰহিলৈ ডাম্বুলাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো প্ৰতিযোগিতাৰ প্ৰথম দিনা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতক পাকিস্তান, সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ই আৰু নেপালৰ সৈতে প্ৰতিযোগিতাৰ গ্ৰুপ **এ**ত স্থান দিয়া হৈছে। আনহাতে, শ্ৰীলংকা, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশক গ্ৰুপ **বি**ত অন্তৰ্ভুক্ত কৰা হৈছে। যোৱাবাৰৰ চেম্পিয়ন ভাৰতে এইবাৰো এছিয়া কাপৰ খিতাপ দখলৰ চেষ্টা চলাব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে। আনহাতে ২০১৮ চনৰ ফাইনেলত ভাৰত বাংলাদেশৰ হাতত পৰাজিত হৈছিল।

০০০০০০০

সমাপ্ত